No. of Printed Pages—3

585 (AEM11, AEP06)

[18–HRGPKAC–D6S]

BA 6th Semester Exam., 2018

ASSAMESE

[BAE M/P–05]

(অসমীয়া সংস্কৃতি)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক : 1×8=8

(a) 'সামাজিকীকৰণ' প্ৰক্ৰিয়া বুলিলে কি বুজে ?

(b) 'লোক' (Folk) শব্দটো কেনে অৰ্থত প্ৰয়োগ কৰা হয় ?

(c) 'অসমীয়া সংস্কৃতি' বুলিলে কি বুজে ?

(d) সোনোৱাল কছাৰীসকলৰ জনপ্ৰিয় গীতবিধৰ নাম কি ?

(e) ভাৰতবৰ্ষৰ অভিজাত সংস্কৃতিৰ বৈশিষ্ট্যসমূহ কি কি বুলি গৱেষক-পণ্ডিতসকলে মন্তব্য আগবঢ়াইছে ?

(f) মোগল সম্ৰাটে স্বৰ্গদেউ চক্ৰধ্বজ সিংহলৈ কি উপঢৌকন পঠাইছিল ?

(g) মীৰজুমলাৰ লগত অসমলৈ কেইজন পীৰ আহিছিল ?

(h) 'হস্তীবিদ্যাৰ্ণৱ' পুথিখন কাৰ পৃষ্ঠপোষকতাত ৰচনা কৰা হৈছিল আৰু তাৰ চিত্ৰপটসমূহ কোনে অংকন কৰিছিল ?

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×8=16

(a) 'অসমীয়া জাতি'ৰ ধাৰণাটো কেনেধৰণৰ ?

(b) অসমৰ ধাতুজাত সামগ্ৰীসমূহৰ আভাস দিয়ক।

(c) 'সত্ৰ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ লিখক।

(d) অসমীয়া সংস্কৃতিলৈ জনজাতীয় সংস্কৃতিৰ বৰঙণি কেইটা আৰু কি কি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি ?

(e) 'জনজাতি' শব্দই কি অৰ্থ প্ৰকাশ কৰে ?

(f) 'মুৰংঘৰ' সম্পৰ্কে সবিশেষ লিখক।

(g) 'ফৰ্মুদ আলি' কোন আছিল আৰু তেওঁৰ নাম অসমীয়া সংস্কৃতিৰ আলোচনাৰ প্ৰসংগত কিয় উল্লেখ কৰা হৈছে ?

(h) অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়োৱা আঠগৰাকী মুছলমান ধৰ্মাৱলম্বী অসমীয়া সাহিত্যিকৰ নাম লিখক।

3. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 4×5=20

(a) সংস্কৃতিৰ কেইটামান নিৰ্দিষ্ট বৈশিষ্ট্য নিৰূপণ কৰক।

(b) চমু টোকা লিখক—মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থা।

(c) 'লোকভাষা'ৰ পৰিচয় দিয়ক।

(d) 'নামঘৰ'ক গঞা লোক-আদালত বুলি কোৱাৰ কাৰণ কি ?

(e) 'বুঢ়াবিয়া'ৰ অৰ্থ লিখক আৰু ইয়াত কাৰোবাৰ প্ৰভাৱ আছেনেকি তাকো লিখক।

(f) 'কঙ্কি পুৰাণ' কাব্যখনৰ এটি চমু বিৱৰণ দিয়ক।

4. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) সংস্কৃতিৰ উপাদানসমূহ বিশ্লেষণ কৰক।

(b) অসমৰ লোক-পৰিৱেশ্য কলা এই শীৰ্ষক এটি চমু প্ৰবন্ধ লিখক।

(c) অসমীয়া ভৌতিক সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান সম্পৰ্কে লিখক।

5. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 10×2=20

(a) সত্ৰীয়া সংহতি বুলিলে কি বুজে? সংহতিৰ ভাগসমূহ উল্লেখ কৰি ইয়াৰ বৈশিষ্ট্য নিৰূপণ কৰক।

(b) অসমীয়া সাহিত্যলৈ আহোমসকলৰ অৱদান সম্পৰ্কে বিশদভাৱে বিৱৰি লিখক।

(c) 'অসমীয়া সংস্কৃতি সমাহৰণৰ সংস্কৃতি'—এই বিষয়ে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

★★★